# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-11-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

**- - - - - - - - - - - - - - -**

১। ভাৰতীয় সংবিধানৰ ৭৫ বছৰ পূৰ্ণ হোৱা উপলক্ষে আজি সমগ্ৰ দেশৰ লগতে অসমতো সংবিধান দিৱস পালন।

২। বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ অধীনত ২৯ বছৰ পূৰ্বে ৰুজু হোৱা গোচৰৰ পৰা অৰবিন্দ ৰাজখোৱা, অনুপ চেতিয়া আৰু ৰঞ্জন দৈমাৰীসহ দহজন প্ৰাক্তন উগ্ৰপন্থী নেতাক দোষমুক্ত।

৩। ৰাজ্যৰ মৃত্যুঞ্জয় সেৱাৰ উন্নয়নৰ বাবে ১১৫ কোটি টকা আৱণ্টনত অসম মন্ত্ৰীসভাৰ অনুমোদন।

৪। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত চাৰিদিনীয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা আৰম্ভ।

**আৰু**

৫। গুৱাহাটীত অনুষ্ঠিত চি কে নাইডু ক্ৰিকেট প্ৰতিযোগিতাৰ প্লেট গ্ৰুপৰ ফাইনেলত অসম চূড়ান্ত বিজয়ী।

০০০০০০

ভাৰতৰ সংবিধান গৃহীত হোৱাৰ দিনটো আজি সমগ্ৰ দেশজুৰি ৰাষ্ট্ৰীয় সংবিধান দিৱস হিচাপে উদযাপন কৰা হৈছে। সংবিধান গৃহীত হোৱাৰ ৭৫ সংখ্যক বছৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে আজি বছৰজোৰা উদযাপন আৰম্ভ কৰিছে।

সংবিধান দিৱস উপলক্ষে আজি নতুন দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত অংশ লৈ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২০৪৭ চনৰ ভিতৰত উন্নত ভাৰত গঢ়াৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নিজৰ আচৰণক সংবিধানৰ আদৰ্শসমূহৰ দ্বাৰা অনুপ্ৰাণিত কৰিবলৈ আহ্বান জনায়। তদুপৰি জনসাধাৰণক নিজৰ মৌলিক দায়িত্ব আৰু কৰ্তব্যসমূহ পালন কৰি যাবলৈও তেওঁ আহ্বান জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰতীয় সংবিধানক জীৱন্ত আৰু প্ৰগতিশীল নথি বুলি অভিহিত কৰে। তেওঁ কয় যে ইয়াৰ জৰিয়তে দেশে সামাজিক ন্যায় আৰু সৰ্বাত্মক উন্নয়নৰ লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ হৈছে। তেওঁ কয়, যে চৰকাৰে সমাজৰ সকলো শ্ৰেণী, বিশেষকৈ দুৰ্বল শ্ৰেণীৰ কল্যাণৰ বাবে শেহতীয়াকৈ ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। লোকসভা আৰু বিধানসভাত মহিলাৰ বাবে আসন সংৰক্ষণ সম্পৰ্কীয় নাৰী শক্তি বন্দনা অধিনিয়ম গৃহীত হোৱাৰ প্ৰশংসা কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই অধিনিয়মখনে মহিলা সৱলীকৰণৰ এটা নতুন যুগৰ সূচনা কৰিছে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয় যে এই গুৰুত্বপূৰ্ণ দিনটোৱে সংবিধান গ্ৰহণৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ ঐতিহাসিক উদযাপনৰ কথাকে সূচায়। তেওঁ কয়, যে ভাৰতে উল্লেখনীয় অৰ্থনৈতিক বিকাশ, শক্তিশালী আন্তঃগাঁথনি আৰু ডিজিটেল ব্যৱস্থাৰ ব্যাপক প্ৰসাৰৰ সৈতে অগ্ৰসৰ হৈছে আৰু এই সকলোবোৰ প্ৰচেষ্টাই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰিছে।

এই উপলক্ষে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয় যে সংবিধানখনে দেশত সামাজিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনৰ চালিকা শক্তিৰূপে কাম কৰি আহিছে। তেওঁ লগতে সাংসদসকলক নিজ নিজ এলেকাৰ জনসাধাৰণৰ মাজত সংবিধান গ্ৰহণৰ ৭৫ বছৰ উদযাপন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত ৰাষ্ট্ৰপতিয়ে সংবিধান গ্ৰহণৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ নামত উৎসৰ্গিত এটা স্মাৰক মুদ্ৰা আৰু ডাকটিকট উন্মোচন কৰে। এই উপলক্ষে Making of the Constitution of India: A Glimpse আৰু Making of the Constitution of India and its Glorious Journey নামৰ দুখন গ্ৰন্থও উন্মোচন কৰা হয়। সংবিধানৰ সংস্কৃত আৰু মৈথেলি সংস্কৰণো মুকলি কৰা হয়। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী, লোকসভা আৰু ৰাজ্যসভাত বিৰোধী পক্ষৰ নেতা, সাংসদ আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

দেশৰ আন আন প্ৰান্তৰ লগতে অসমতো সংবিধান দিৱস উপলক্ষে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। গুৱাহাটীৰ জনতা ভৱনৰ লোকসেৱা ভৱনত সংসদীয় পৰিক্ৰমা বিভাগৰ উদ্যোগত সংবিধান দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও মন্ত্ৰী তথা বিধায়ক উপস্থিত থাকে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে দেশৰ সাৰ্বভৌমত্ব, অখণ্ডতা, ধৰ্মনিৰপেক্ষতা তথা সামগ্ৰিকভাৱে গণতন্ত্ৰৰ মহানতাক অনুধাৱন কৰি গৌৰৱান্বিত বুলি মন্তব্য কৰে।

**বাইট (মুখ্যমন্ত্ৰী)**

ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ উদ্যোগত মহানগৰীৰ ফটাশিল আমবাৰীৰ জি এম চি নিউ কলনী, ডঃ বি আৰ আম্বেদকাৰ পথত আজি পুৱা অনুষ্ঠিত সংবিধান দিৱসৰ কাৰ্যসূচীত ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচাই পদযাত্ৰাত

অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশগ্ৰহণকাৰী সকলোৱে সাৰ্বভৌম, সমাজবাদী তথা ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক দেশ গঢ়াৰ বাবে সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰি সংকল্প লয়।

ইপিনে সংবিধান দিৱসৰ লগত সংগতি ৰাখি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনস্থ ছেন্ট্ৰেল ব্যুৰ' অৰ কমিউনিকেচনছ্ চমুকৈ চি বি চি গুৱাহাটীৰ উদ্যোগত আজি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। গুৱাহাটী উচ্চ ন্যায়ালয়তো আজি সংবিধান দিৱস অনুষ্ঠিত হয়। দিৱসত দিয়া ভাষণত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে এইদৰে কয়-

**ভইচ কাষ্ট**

সংবিধান দিৱস উপলক্ষে বিভিন্ন জিলাত চৰকাৰী-বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানে কাৰ্যসূচী গ্ৰহণ কৰে। যোৰহাট জিলা আৰক্ষী ছাউনীত আৰক্ষী অধীক্ষকৰ উদ্যোগত এই দিৱস পালন কৰা হয়। মৰিগাঁৱৰ বঘৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগতে জিলাখনৰ বিভিন্ন স্থানত এই দিৱস পালন কৰা হয়।

বৰপেটা জিলাত আজি আয়ুক্তৰ কাৰ্যালয়, জিলা আৰক্ষী ছাউনীৰ লগতে বিভিন্ন বিভাগীয় কাৰ্যালয়সমূহত এই দিৱস উপলক্ষে সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰা হয়। কোকৰাঝাৰতো আজি এই দিৱস পালন কৰা হয়। মাজুলী জিলাৰ খেৰকটীয়া মহাবিদ্যালয়তো আজি সংবিধান দিৱস উপলক্ষে কাৰ্যসূচী গ্ৰহণ কৰা হয়।

আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগতো সমূহ বিষয়া-কৰ্মচাৰীয়ে সংবিধানৰ শপত বাক্য পাঠ কৰে।

00000

ৰাজ্যৰ ১০৮ মৃত্যুঞ্জয় সেৱা উন্নীতকৰণৰ বাবে ১১৫ কোটি টকা আৱণ্টনত অসম মন্ত্ৰীসভাই অনুমোদন জনাইছে। আজি বিয়লি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত হোজাই জিলাৰ সদৰ- শংকৰদেৱ নগৰৰ নাম শ্ৰীমন্ত শংকৰদেৱ নগৰ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ লগতে ৰাজ্যৰ কৃষি বিপণন কৰ্মচাৰীক স্বেচ্ছামূলক অৱসৰৰ আঁচনিতো মন্ত্ৰীসভাই অনুমোদন জনায়। মন্ত্ৰীসভাৰ বৈঠকে মিছিং সকলৰ জাতীয় উৎসৱ আলি-আয়ে-লৃগাঙৰ দিনটো মিছিং বসতিপ্ৰধান ১১ খন জিলাত চৰকাৰী বন্ধৰূপে ঘোষণা কৰাৰো সিদ্ধান্ত লোৱাৰ লগতে অহা ২০২৫ বৰ্ষৰ অসম চৰকাৰৰ চৰকাৰী বন্ধ আৰু সীমিত বন্ধৰ তালিকা চূড়ান্ত কৰে। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই সিদ্ধান্তসমূহৰ বিষয়ে প্ৰকাশ কৰে।

**বাইট (ৰণোজ পেগু)**

00000

কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতে বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ অধীনত ৰুজু হোৱা ২৯ বছৰ পুৰণি এটা গোচৰত দুটা নিষিদ্ধঘোষিত সংগঠনৰ ১০জন নেতাক আজি দোষমুক্ত ঘোষণা কৰে। দীৰ্ঘদিন ধৰি চলা শুনানিৰ পাছত আজি আদালতে অভিযুক্ত অৰবিন্দ ৰাজখোৱা, অনুপ চেতিয়া, চিত্ৰবন হাজৰিকা, শশধৰ চৌধুৰী, ৰাজু বৰুৱা, প্ৰণতি ডেকা, মিথিংগা দৈমাৰী, ৰঞ্জন দৈমাৰী, দিলীপ বৰ্মন আৰু নগেন ৰাভাক দোষমুক্ত বুলি ৰায় দিয়ে। উল্লেখযোগ্য যে বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ অধীনত নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠনৰ কেইবাগৰাকীও নেতাৰ বিৰুদ্ধে ১৯৯৫ চনত এই গোচৰ ৰুজু হৈছিল।

00000

গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি অনলাইন ট্ৰেডিং কেলেংকাৰি গোচৰত দুজন অভিযুক্তৰ জামিন নাকচ কৰাৰ বিপৰীতে ৫ জন অভিযুক্তৰ জামিন মঞ্জুৰ কৰিছে। ভিন ভিন পক্ষৰ অধিবক্তা, তদন্তকাৰী সংস্থা চি বি আইৰ অধিবক্তাৰ ভাষ্য গ্ৰহণৰ পাছত ন্যায়ালয়ে চন্দন নাথ আৰু শুভমজ্যোতি কুৰ্মীৰ জামিন আবেদন নাকচ কৰে। আনহাতে ন্যায়ালয়ে অভিযুক্ত ক্ৰমে- স্বপ্নীল দাস, বিশাল ফুকন, জিতেন ডেকা, অভিজিৎ চন্দা আৰু তাৰ্কিক বৰাৰ জামিন মঞ্জুৰ কৰে। উল্লেখযোগ্য যে ট্ৰেডিঙৰ নামত সাধাৰণ লোকক প্ৰৱঞ্চনাক লৈ ডিব্ৰুগড়, দিছপুৰ আৰু আজাৰা থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত এইসকল অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। সম্প্ৰতি কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চমুকৈ চি বি আইয়ে এই গোচৰসমূহৰ তদন্ত চলাই আছে।

00000

অসমকে ধৰি উত্তৰ-পূবৰ আঠোখন ৰাজ্যৰ লগতে দেশৰ মুঠ ১৫খন ৰাজ্যৰ দুৰ্যোগ প্ৰশমন আৰু সামৰ্থ্য বৃদ্ধি প্ৰকল্পৰ বাবে কেন্দ্ৰীয় চৰকাৰে এহেজাৰ ১১৫ কোটিৰো অধিক টকা আৱণ্টনত অনুমোদন জনাইছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাৰ এখন উচ্চ পৰ্যায়ৰ সমিতিয়ে এই পুঁজিৰ অনুমোদন দিয়ে। সমিতিখনে উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ বাবে ৩৭৮ কোটি, উত্তৰাখণ্ড আৰু হিমাচল প্ৰদেশৰ বাবে ১৩৯ কোটি টকাকৈ, মহাৰাষ্ট্ৰৰ বাবে ১০০ কোটি, কৰ্ণাটক আৰু কেৰালাৰ বাবে ৭২ কোটি টকাকৈ আৰু তামিলনাডু আৰু পশ্চিমবংগৰ বাবে ৫০ কোটি টকাকৈ অনুমোদন দিছে। উচ্চ পৰ্যায়ৰ সমিতিখনে লগতে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ১১৫ কোটিৰো অধিক টকা ব্যয়েৰে প্ৰশিক্ষণ আৰু সামৰ্থ বৃদ্ধিৰ অন্য এটা প্ৰকল্পতো অনুমোদন জনাইছে। গৃহ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে, দুৰ্যোগপূৰ্ণ পৰিস্থিতিৰ মোকাবিলা কৰিব পৰা এখন ভাৰতবৰ্ষ গঢ়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোন বাস্তৱায়িত কৰাৰ উদ্দেশ্যে মন্ত্ৰালয়ে ভালেমান পদক্ষেপ লৈছে। দুৰ্যোগত হ'ব পৰা ক্ষতিৰ আশংকা হ্ৰাস কৰাৰ ব্যৱস্থা সুদৃঢ় কৰি প্ৰাকৃতিক বিপৰ্যয়ৰ সময়ত ধন-জনৰ ব্যাপক হানি ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে চলিত বৰ্ষত ৰাজ্যসমূহলৈ ইতিমধ্যে ২১ হাজাৰ ৪৭৬ কোটিৰো অধিক টকা মোকলাই দিয়া বুলি ঘোষণা কৰিছে।

০০০০০

দেশ-বিদেশৰ দুই শতাধিক প্ৰতিনিধিৰ অংশগ্ৰহণেৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত হৈছে। এই মেলাত অংশ ল'বলৈ অহা শতাধিক বিদেশী পৰ্যটকে আজি চৰাইদেউ মৈদাম পৰিদৰ্শন কৰে। পৰ্যটকসকলে মৈদামত উপস্থিত তেওঁলোকে টাই-আহোম পৰম্পৰাগত ফুৰালুঙৰ লগতে অসমীয়া খাদ্যভাস তথা সংস্কৃতিৰ আভাস লয়। পৰ্যটকৰ দলটোৱে শিৱসাগৰত উপস্থিত হৈ ৰংঘৰৰ লগতে আহোম কীৰ্তিস্তম্ভসমূহ পৰিদৰ্শন কৰে। শিৱসাগৰৰ পৰা দলটোৱে কাজিৰঙা অভিমুখে ৰাওনা হয়।

০০০০০

যোৰহাটৰ পৰা ডিব্ৰুগড় সংযোগী ৰাষ্ট্ৰীয় ঘাইপথচোৱা উন্নীতকৰণৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত আজি কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক পত্ৰযোগে অৱগত কৰে। পত্ৰখনত উল্লেখ কৰা অনুসৰি এই প্ৰকল্পটোৰ কাম ক্ষিপ্ৰ কৰি তোলাৰ বাবে ১১জন ঠিকাদাৰক মোতায়েন কৰা হৈছে। এই প্ৰকল্পৰ অধীনত যান-বাহন পাৰ হৈ যোৱাৰ বাবে ৯টা অধঃপথ বা আণ্ডাৰপাছ, পথচাৰীৰ বাবে ছটা আণ্ডাৰপাছ আৰু এখন উৰণ সেঁতুৰ লগতে ভালেমান আন্তঃগাঁথনি নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে এই পদক্ষেপৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে পথটোৰ বাকী থকা কামখিনি শীঘ্ৰেই সম্পূৰ্ণ হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০

গুৱাহাটীৰ প্ৰেছ ক্লাবত আজি বিয়লি এখন বহুভাষিক কবি সন্মিলন অনুষ্ঠিত হয়। বিষ্ণুপ্ৰিয়া মণিপুৰী ভাষাৰ জাতীয় কবি গোকুলানন্দ গীতিস্বামীৰ ১২৮ সংখ্যক ওপজা দিন উপলক্ষে সাহিত্যানুষ্ঠান পথিকৃতৰ উদ্যোগত আয়োজিত এই কবি সন্মিলনত অসমীয়া, ইংৰাজী, হিন্দী, বিষ্ণুপ্ৰিয়া মণিপুৰী, মিছিং, বড়ো আৰু বাংলা ভাষাত ভালেকেইগৰাকী নবীন-প্ৰবীন কবিয়ে কবিতা পাঠ কৰে। সন্মিলনৰ আৰম্ভণিতে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ তথা লেখক বিনয় কুমাৰ শৰ্মাই গোকুলানন্দ গীতিস্বামীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে। অসম জনজাতি সাংস্কৃতিক মহাসভাৰ সভাপতি দেৱেন্দ্ৰ নাথ বসুমতাৰী, দেউৰী সাহিত্য সভাৰ সভাপতি ষড়ানন দেউৰী, ত্ৰিপুৰা বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকি ভিন্ন ভাষাৰ কবিৰ কবিতাৰ ৰসাস্বাদন কৰে।

০০০০০

গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত ২৩ বছৰ অনূৰ্ধ চি কে নাইডু ক্ৰিকেট প্ৰতিযোগিতাৰ প্লেট গ্ৰুপৰ ফাইনেল খেলত আজি ঘৰুৱা দল অসমে পুডুচেৰীক দুই উইকেটত পৰাজিত কৰি চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰিছে। খেলখনৰ আজি অন্তিম দিনা দ্বিতীয় ইনিংছত ২৩৩ ৰানৰ বিজয় লক্ষ্য অনুসৰণ কৰি অসমে ৮টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। পুডুচেৰীৰ দ্বিতীয় ইনিংছত ৬৬ ৰানৰ বিনিময়ত ৬টা উইকেট অধিকাৰ কৰা অসমৰ দীপজ্যোতি শইকীয়াক প্লেয়াৰ অৱ দা মেচ আৰু নীতিন প্ৰণৱক প্লেয়াৰ অৱ দা টুৰ্ণামেণ্ট ঘোষণা কৰা হয়।

০০০০০

কাইলৈৰ পৰা গুৱাহাটীত উত্তৰ-পূব দিব্যাংগ ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২৯ নৱেম্বৰলৈ হ'বলগীয়া এই ক্ৰীড়া সমাৰোহত উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যৰ পৰা অহা দিব্যাংগ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। এই সমাৰোহত এথলেটিকছ, সাঁতোৰ, বেডমিণ্টন আৰু টেবুল টেনিছ অনুষ্ঠিত হ'ব। এথলেটিকছত ১০০ মিটাৰ, ১৫০০ মিটাৰ দৌৰৰ লগতে শ্বটপুট, ডিছকাছ থ্ৰো আৰু লং জাম্প অন্তৰ্ভুক্ত কৰা হৈছে। আনহাতে, সাঁতোৰত ৫০ মিটাৰ আৰু ১০০ মিটাৰ ফ্ৰীষ্টাইল, ৫০ মিটাৰ আৰু ১০০ মিটাৰ বেকষ্ট্ৰোকৰ লগতে ৫০ আৰু ১০০ মিটাৰ ব্ৰেষ্টষ্ট্ৰোক অন্তৰ্ভুক্ত কৰা হৈছে। ১০০ মিটাৰ বাটাৰ ফ্লাই আৰু ৪ ইণ্টু ১০০ মিটাৰ ফ্ৰী ষ্টাইল ৰীলেও এই প্ৰতিযোগিতাৰ অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০

সমাপ্ত